Prof. Jadab Chandra Barua Memorial All Assam Open Quiz Competition

Newspaper : Dainik Janambhumi Dt: 08-February-2026

# তিনিচুকীয়া ৱ'মেনছ কলেজত অসম ভিত্তিত কুইজ প্ৰতিযোগিতা

তিনিচুকীয়া ঃ ষ্টাফ ৰিপৰ্টাৰ, ৭ ফেব্ৰুৱাৰী ঃ তিনিচুকীয়া ৱ'মেনজ কলেজৰ অভ্যন্তৰীণ গুণগত নিশ্চয়তা কোষৰ উদ্যোগত আজি অধ্যাপক যাদব চন্দ্ৰ বৰুৱাৰ স্মৃতিত সদৌ অসম ভিত্তিত এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ উত্তৰায়ণ প্ৰেক্ষাগৃহত অনুষ্ঠিত উক্ত প্ৰতিযোগিতাত অসমৰ বিভিন্ন প্ৰান্তৰ বহু প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। শিক্ষা, সাহিত্য, ইতিহাস, বিজ্ঞান আৰু সমসাময়িক বিষয় সামৰি প্ৰস্তুত কৰা প্ৰশ্নসমূহৰ জৰিয়তে প্ৰতিযোগীসকলে নিজৰ মেধা, উপস্থিত বুদ্ধি আৰু সাধাৰণ জ্ঞানৰ প্ৰদৰ্শন কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান-বিকাশ, সাধাৰণ জ্ঞানৰ বিস্তাৰ আৰু প্ৰতিযোগিতামূলক মনোভাব গঢ়ি তোলাৰ উদ্দেশ্যে মহাবিদ্যালয়ে প্ৰতিযোগিতাখন আয়োজন কৰা বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। এই অনুষ্ঠানতে অধ্যাপক যাদব চন্দ্ৰ বৰুৱাৰ শিক্ষা ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানক স্মৰণ কৰা হয়।